প্ৰশ্ন ৫। ভাৰ্ছাই সন্ধিৰ মূল চৰ্তসমূহ আলোচনা কৰা।

উত্তৰ। প্ৰথম মহাসমৰৰ অন্তত মিত্ৰ শক্তিবৰ্গই ফ্ৰান্সৰ ৰাজধানী পেৰিচত

Scanned by CamScanner

যুদ্ধোত্তৰ বিশ্বৰ ভৱিষ্যৎ নিৰ্ধাৰণ কৰাৰ উদ্দেশ্যে এক শান্তি সন্মিলন আহ্বান কৰিছিল। এই সন্মিলনখন ১৯১৯ চনৰ ১৯ জানুৱাৰীত পেৰিচৰ কাষৰ ভাৰ্ছাইৰ ৰাজপ্ৰাসাদত আনুষ্ঠানিকভাৱে আৰম্ভ হৈছিল। সন্মিলনৰ প্ৰতিনিধিসকলে ৫টা শান্তি চুক্তিৰ খচৰা প্ৰস্তুত কৰিছিল। এই চুক্তিসমূহৰ ভিতৰত সকলোতকৈ গুৰুত্বপূৰ্ণ আছিল মিত্ৰপক্ষ আৰু জাৰ্মানিৰ মাজত স্বাক্ষৰিত হোৱা ভাৰ্ছাই চুক্তিখন।

এই চুক্তিৰ চৰ্তসমূহ আছিল এনেধৰণৰ—এই চুক্তিৰ জৰিয়তে জাৰ্মানিক আৰ্থিক, সামৰিক, ৰাজক্ষেত্ৰিক আদি সকলো ক্ষেত্ৰতে দুৰ্বল কৰিবলৈ মিত্ৰপক্ষই প্ৰচেষ্টা চলাইছিল। ভাৰ্ছাই চুক্তিৰ **২৩১ নং দফা** (Article 231) মতে জাৰ্মানি আৰু ইয়াৰ মিত্ৰ-শক্তিসমূহক বিশ্বযুদ্ধ সৃষ্টিৰ বাবে অপৰাধী ঘোষণা কৰা হৈছিল। চুক্তি মতে জাৰ্মানিয়ে আলছাছ আৰু ল'ৰেইন ফ্ৰান্সক, ইউপেন, মৰছনেট, মেলমেদি অঞ্চল বেলজিয়াম, পোজেন আৰু পশ্চিম প্ৰুচিয়াৰ একাংশ পোলেণ্ডক, পূবৰ জাৰ্মান সাম্ৰাজ্যৰ কিছু অংশ ডেনমাৰ্কক, লিথুয়ানিয়া, চেকোশ্লাভাকিয়া আদি দেশক দিব লগা হৈছিল। জাৰ্মানিৰ কয়লা খনিৰ বাবে প্ৰখ্যাত **ছাৰ** (Saar) অঞ্চলটো জাতিসংঘৰ তত্ত্বাৱধানত ১৫ বছৰৰ বাবে ফ্ৰান্সক ভোগ কৰিবলৈ দিয়া হ'ল। এনেদৰে ভাৰ্ছাই চুক্তিমতে জাৰ্মানিয়ে ইউৰোপত মুঠ **৬ নিযুত জনগণ সম্পন্ন ২৫,০০০ বৰ্গমাইল** **অঞ্চল** মিত্ৰ পক্ষক দিবলগা হ'ল। সেইদৰে **১৩ নিযুত জনগণ** আৰু **৯ নিযুত** **বৰ্গমাইল** সম্পন্ন ঔপনিৱেশিক সাম্ৰাজ্য ইংলেণ্ড, বেলজিয়াম, দক্ষিণ আফ্ৰিকা, পৰ্তুগাল, জাপানৰ মাজত বিভক্ত হ'ল।

ভাৰ্ছাই চুক্তিৰ দ্বাৰা জাৰ্মানিৰ সামৰিক শক্তি নিম্নগামী কৰা হয়। পূৰ্বৰ ৭.৮ লাখৰপৰা এই সৈন্য সংখ্যা ১ লাখলৈ হ্ৰাস হয়। জাৰ্মানিক কোনো টেংক বাহিনী, ছাবমেৰিণ আৰু বিমানবাহিনী ৰখাৰপৰা বিৰত থাকিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি এই চুক্তিৰ দ্বাৰা জাৰ্মান সম্ৰাট **কাইজাৰ দ্বিতীয় ইউলিয়াম** আৰু ১০০ জন উচ্চপদস্থ জাৰ্মান সামৰিক বিষয়াক যুদ্ধ সৃষ্টিৰ বাবে দোষী সাব্যস্ত কৰা হয় আৰু মিত্ৰপক্ষৰ বিশেষ সামৰিক আদালতত বিচাৰ চলোৱাৰ সিদ্ধান্ত লোৱা হয়। জাৰ্মানিয়ে মিত্ৰপক্ষক **৬,৬০০ নিযুত ডলাৰ** যুদ্ধৰ ক্ষতিপূৰণ হিচাপে পৰিশোধ কৰিবলগীয়া হয়।

জাৰ্মানিৰ অন্যতম সহযোগী অষ্ট্ৰিয়াৰ লগত মিত্ৰপক্ষই কৰা চুক্তি অনুসৰি অষ্ট্ৰিয়া-হাংগেৰী সাম্ৰাজ্যক বিচ্ছিন্ন কৰা হ'ল আৰু অষ্ট্ৰিয়াই হাংগেৰী, চেকোশ্লাভাকিয়া, যুগোশ্লাভিয়া আৰু পোলেণ্ডৰ স্বাধীনতা স্বীকৃতি প্ৰদান কৰিবলগীয়া হয়। পূৰ্বৰ ৰুচ

Scanned by CamScanner

সাম্রাজ্যৰ অন্তৰ্ভুক্ত বাল্টিক সাগৰ অঞ্চলৰ দেশসমূহক স্বাধীনতা প্ৰদান কৰা হয়। পেলেষ্টাইন আৰু মেচ'পটেমিয়াত (ইৰাক) ইংলেণ্ডক আৰু চিৰিয়াত ফ্ৰান্সক **অভিকৰ্তা** (Mandat Power) ৰূপে শাসন চলাবলৈ দিয়া হ'ল। ১৯২৩ চনৰ অক্টোবৰ মাহত তুৰ্কীক **প্ৰজাতন্ত্ৰ** বুলি ঘোষণা কৰা হ'ল। ইতিমধ্যে তুৰ্কীৰ বাহিনীয়ে এচিয়া মাইনৰ অঞ্চল আৰু কনষ্টান্টিনোপল নগৰী অধিকাৰ কৰাত মিত্ৰপক্ষই তুৰ্কীৰ লগত পূৰ্বতে কৰা চুক্তি পৰিত্যাগ কৰি **ল'জান চুক্তি** (Theaty of Lausanne) নামে এক সন্মানজনক চুক্তি কৰিবলৈ বাধ্য হ'ল।

পেৰিচ শান্তি-চুক্তিৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল জাতিসংঘৰ নামৰ এক আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ অন্তৰ্ভুক্তি। এই সংস্থাৰ মূল লক্ষ্য আছিল আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ জৰিয়তে বিশ্বৰ দেশসমূহক যুদ্ধৰ পথ লোৱাৰপৰা বিৰত ৰাখি আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা আহৰণ কৰা।

**প্ৰশ্ন ৬। এটা শব্দ বা বাক্যত উত্তৰ দিয়া ঃ**

**প্ৰশ্ন ১। প্ৰথম বিশ্বযুদ্ধৰ তৎকালীন কাৰণটো উল্লেখ কৰা।**

**উত্তৰ।** প্ৰথম বিশ্বযুদ্ধৰ তৎকালীন কাৰণটো হৈছে সাম্ৰাজ্যবাদ আৰু উপনিৱেশসমূহৰ শক্তিৰ সংঘাত। এই সংঘাতবোৰেই প্ৰথম বিশ্বযুদ্ধৰ পটভূমি ৰচনা কৰিছিল।

**প্ৰশ্ন ২। প্ৰথম বিশ্বযুদ্ধ কোন চনৰ কোন তাৰিখে আৰম্ভ হৈছিল?**

**উত্তৰ।** প্ৰথম বিশ্বযুদ্ধ ১৯১৪ চনৰ ২৮ জুলাই তাৰিখে আৰম্ভ হৈছিল।

**প্ৰশ্ন ৩। জাৰ্মানিৰ একত্ৰিকৰণত বিশিষ্ট ভূমিকা লোৱা ৰাজনীতিজ্ঞজনৰ নাম লিখা।**

**উত্তৰ।** জাৰ্মানিৰ একত্ৰিকৰণত বিশিষ্ট ভূমিকা লোৱা ৰাজনীতিজ্ঞজনৰ নাম বিচমাৰ্ক।

**প্ৰশ্ন ৪। প্ৰাচ্যৰ পিনে ৰাজ্য বিস্তাৰৰ নীতি গ্ৰহণ কৰা জাৰ্মান সম্ৰাটজনৰ নাম কি?**

**উত্তৰ।** প্ৰাচ্যৰ পিনে ৰাজ্য বিস্তাৰৰ নীতি গ্ৰহণ কৰা জাৰ্মান সম্ৰাটজনৰ নাম দ্বিতীয় কাইজাৰ উইলিয়াম।

**প্ৰশ্ন ৫। 'ত্ৰিশক্তি মিত্ৰতা'ত অংশীদাৰ হোৱা দেশকেইখনৰ নাম কি?**

**উত্তৰ।** 'ত্ৰিশক্তি মিত্ৰতা'ত অংশীদাৰ হোৱা দেশকেইখনৰ নাম জাৰ্মানি, অষ্ট্ৰিয়া, হাংগেৰী আৰু ইটালী।

Scanned by CamScanner

**প্ৰশ্ন ৬। 'ত্ৰিশক্তি ঘনিষ্ঠ মিত্ৰতা'ত কোন কোন দেশ আছিল?**

**উত্তৰ।** 'ত্ৰিশক্তি ঘনিষ্ঠ মিত্ৰতা'ৰ অন্তৰ্ভুক্ত দেশসমূহ হ'ল ইংলেণ্ড, ফ্ৰান্স আৰু ৰুচিয়া।

**প্ৰশ্ন ৭। 'ব্লেক হেন্দ' কি?**

**উত্তৰ।** 'ব্লেক হেন্দ' হৈছে এক সন্ত্ৰাসবাদী গুপ্ত সমিতি।

**প্ৰশ্ন ৮। আমেৰিকা যুক্তৰাষ্ট্ৰই কেতিয়া আৰু কাৰ সমৰ্থনত প্ৰথম বিশ্বযুদ্ধত যোগাদান কৰিছিল?**

**উত্তৰ।** আমেৰিকা যুক্তৰাষ্ট্ৰই ১৯১৭ চনত ইংলেণ্ড আৰু ফ্ৰান্সৰ সমৰ্থনত প্ৰথম বিশ্বযুদ্ধত যোগদান কৰিছিল।

**প্ৰশ্ন ৯। 'ইউ-বট' (U-boat) কি?**

**উত্তৰ।** 'ইউ-বট' (U-boat) হৈছে এক প্ৰকাৰৰ চাবমেৰিণ। এই চাবমেৰিণৰ জৰিয়তে শত্ৰুপক্ষৰ জাহাজৰ উপৰিও বৃটিছ বন্দৰ অভিমুখী যিকোনো নিৰপেক্ষ দেশৰো বাণিজ্যিক জাহাজ ধ্বংস কৰা হৈছিল।

**প্ৰশ্ন ১০। প্ৰথম মহাসমৰৰ কালছোৱাত আমেৰিকাৰ ৰাষ্ট্ৰপতিজনৰ নাম কি?**

**উত্তৰ।** প্ৰথম মহাসমৰৰ কালছোৱাত আমেৰিকাৰ ৰাষ্ট্ৰপতিজনৰ নাম আছিল উড্ৰো উইলচন (Woodrow Wilson)।

**প্ৰশ্ন ১১। 'শান্তিৰ অধ্যাদেশ' কোনে জাৰি কৰিছিল?**

**উত্তৰ।** লেনিনে 'শান্তিৰ অধ্যাদেশ' জাৰি কৰিছিল?

**প্ৰশ্ন ১২। জাৰ্মানিয়ে মিত্ৰ পক্ষৰ লগত কেতিয়া যুদ্ধবিৰতি চুক্তিত চহী কৰিছিল?**

**উত্তৰ।** ১৯১৮ চনৰ ১১ নৱেম্বৰ পুৱা ৫ বজাত জাৰ্মানিয়ে মিত্ৰপক্ষৰ লগত যুদ্ধ বিৰতি চুক্তিত স্বাক্ষৰ কৰিছিল।

**প্ৰশ্ন ১৩। প্ৰথম বিশ্বযুদ্ধৰ অন্তত শান্তি সন্মিলন অনুষ্ঠিত হোৱা ঠাইখনৰ নাম লিখা।**

**উত্তৰ।** প্ৰথম বিশ্বযুদ্ধৰ অন্তত শান্তি সন্মিলন অনুষ্ঠিত হোৱা ঠাইখনৰ নাম ফ্ৰান্সৰ ৰাজধানী পেৰিচ।

**প্ৰশ্ন ১৪। ভাৰ্ছাই চুক্তি কাৰ কাৰ মাজত স্বাক্ষৰিত হৈছিল?**

**উত্তৰ।** ভাৰ্ছাই চুক্তি মিত্ৰপক্ষ আৰু জাৰ্মানিৰ মাজত ১৯১৯ চনৰ ২৮ জুনত স্বাক্ষৰিত হৈছিল। মিত্ৰপক্ষৰ দেশসমূহ হৈছে—ইংলেণ্ড, ফ্ৰান্স আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ।

Scanned by CamScanner

**প্ৰশ্ন ১৫। প্ৰথম বিশ্বযুদ্ধৰ ফলস্বৰূপে পতন হোৱা ৰাজবংশ চাৰিটাৰ নাম লিখা।**

**উত্তৰ।** প্ৰথম বিশ্বযুদ্ধৰ ফলস্বৰূপে পতন হোৱা ৰাজবংশ চাৰিটাৰ নাম হ'ল— ৰুচিয়াৰ ৰ'মানভ (Romannov) ৰাজবংশ, জাৰ্মানিৰ হ'হেনজোলাৰ্ণ (Hohenzollern) ৰাজবংশ, অষ্ট্ৰিয়া-হাংগেৰীৰ হেৰচবাৰ্গ (Hobsburg) ৰাজবংশ আৰু তুৰ্কীৰ অট'মান সাম্ৰাজ্য।

## চমু উত্তৰ লিখা

**(ক) প্ৰাক্ বিশ্বযুদ্ধ কালৰ ইউৰোপীয় দেশসমূহৰ মাজৰ সংঘাত।**

**উত্তৰ।** প্ৰাক্ বিশ্বযুদ্ধ কাল অৰ্থাৎ ঊনবিংশ শতিকাৰ শেষৰ কালৰপৰা ইউৰোপীয় দেশসমূহৰ মাজত প্ৰচণ্ড আভ্যন্তৰীণ সংঘাতে দেখা দিয়ে। সেই কালত ইউৰোপত ছটা প্ৰধান শক্তি আছিল। সেই কেইটা হ'ল—ইংলেণ্ড, ফ্ৰান্স, অষ্ট্ৰিয়া হাংগেৰী, ৰুচিয়া, জাৰ্মানি আৰু ইটালী। বলকান উপদ্বীপৰ সংকটৰ লগত ইউৰোপৰ এই ছয়টা মুখ্যশক্তি জড়িত হৈ পৰিছিল। এই বলকান অঞ্চল আছিল অট'মান তুৰ্কী সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত। ঊনবিংশ শতিকাৰ শেষৰকালে তুৰ্কী সাম্ৰাজ্য পতন হোৱাত বলকান অঞ্চলৰ বিভিন্ন জনগোষ্ঠীয়ে স্বাধীনতা আহৰণৰ বাবে বিদ্ৰোহ আৰম্ভ কৰে। ৰুচিয়াৰ জাৰে বলকান অঞ্চলত নিজ প্ৰতিপত্তি স্থাপন কৰিবলৈ আশা পোষণ কৰে। সেই উদ্দেশ্যে ৰুচিয়াই পূৱ ইউৰোপৰ 'শ্লাভ জনগোষ্ঠীৰ লোকমাত্ৰেই ঐক্যবদ্ধ হোৱা' (Pan-Slav Movement) এক আন্দোলনৰ প্ৰতি সমৰ্থন আগবঢ়ায়।

অট'মান সাম্ৰাজ্যৰ উপৰিও শ্লাভ জনগোষ্ঠীৰ লোক বাস কৰা অষ্ট্ৰিয়া-হাংগেৰীলৈও ৰুচিয়াই সমৰ্থন দিয়ে। এই শ্লাভ আন্দোলনৰ নেতৃত্ব দিছিল বলকান অঞ্চলৰ অন্যতম প্ৰধান ৰাষ্ট্ৰ চাৰ্বিয়াই আৰু এই ক্ষেত্ৰত ৰুচিয়াই চাৰ্বিয়াক বিশেষভাৱে সহায় কৰে। বলকান অঞ্চলত ৰুচিয়াৰ ক্ৰমবৰ্ধমান' প্ৰতিপত্তি বৃদ্ধি হোৱা দেখি ইউৰোপীয় শক্তিসমূহ শংকিত হৈ পৰে। এই প্ৰতিপত্তি ৰোধ কৰিবলৈ জাৰ্মানি আৰু অষ্ট্ৰিয়া দৃঢ়-সংকল্প হয়। বিশেষকৈ ৰুচ সমৰ্থনপুষ্ট চাৰ্বিয়াৰ লগত অষ্ট্ৰিয়া-হাংগেৰীৰ সম্পৰ্কৰ দ্ৰুত অৱনতি ঘটিল।

আনহাতে প্ৰৱল সম্প্ৰসাৰণবাদী শক্তিৰূপে ঐক্যবদ্ধ জাৰ্মানিৰ অগ্ৰগতিয়ে ইউৰোপত বহু আভ্যন্তৰীণ সংঘাতৰ সৃষ্টি কৰে। জাৰ্মানিৰ সম্ৰাট দ্বিতীয় কাইজাৰ

Scanned by CamScanner

উইলিয়ামে 'প্ৰাচ্যৰ পিনে ৰাজ্যবিস্তাৰৰ নীতি' গ্ৰহণ কৰি মধ্য ইউৰোপ আৰু বলকান অঞ্চলক যুদ্ধৰ যজ্ঞকুণ্ডত পৰিণত কৰে। ইটালীয়েও অষ্ট্ৰিয়া-হাংগেৰীৰ কিছু অংশৰ ওপৰত দাবী তোলে। ইতিমধ্যে জাৰ্মানিৰ বিপক্ষে ১৮৭০-'৭১ খ্ৰীষ্টাব্দত চেডানৰ যুদ্ধত পৰাজয়ৰ পৰিণতিস্বৰূপে আলছাছ আৰু লৰেইন ফ্ৰান্সে হেৰুৱাবলগীয়া হোৱাত ফৰাচীসকলৰ জাতীয় মৰ্যাদা আঘাতপ্ৰাপ্ত হয়। এই পৰাজয়ৰ পোটক তুলিবলৈ ফৰাচীসকলে আলছাছ আৰু লৰেইন পুনৰুদ্ধাৰৰ বাবে সুযোগৰ সন্ধানত থাকে। এইদৰে প্ৰাক্ মহাযুদ্ধৰ কালছোৱাত ইউৰোপত বিভিন্ন ধৰণৰ আভ্যন্তৰীণ সংঘাত ঘটা দেখা যায়।

**(খ) ত্ৰিশক্তি মিত্ৰতা ঃ** উনবিংশ শতিকাৰ শেষৰফালে ইউৰোপৰ সাম্ৰাজ্যবাদী ৰাষ্ট্ৰসমূহৰ মাজত সৃষ্টি হোৱা ঔপনিৱেশিক আৰু বাণিজ্যিক সংঘাত আৰু এই ৰাষ্ট্ৰসমূহৰ মাজৰ আভ্যন্তৰীণ বিবাদে ইউৰোপত এক প্ৰচণ্ড উত্তেজনাপূৰ্ণ পৰিৱেশৰ সৃষ্টি কৰে। এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত ইউৰোপীয় ৰাষ্ট্ৰসমূহে নিজ নিজ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ মিত্ৰতা-গোষ্ঠী গঠন কৰিবলৈ অগ্ৰসৰ হয়। ফলত ইউৰোপ অচিৰেই দুটা পৰস্পৰ বিৰোধী সামৰিক শিবিৰত বিভক্ত হয়। এই মিত্ৰতা-গোষ্ঠী গঠনৰ কূটনীতিত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল সেই কালৰ ইউৰোপৰ অনবদ্য ৰাজনীতিজ্ঞ বিচমাৰ্কে। জাৰ্মানিৰ হাতত চেডানৰ যুদ্ধত পৰাজয় হোৱাৰ পোটক যাতে ভৱিষ্যতে ফ্ৰান্সে ল'ব নোৱাৰে সেই উদ্দেশ্যে বিচমাৰ্কে অপৰিসীম কূটনৈতিক দক্ষতা প্ৰদৰ্শন কৰি ১৮৮২ খ্ৰীঃত জাৰ্মানি, অষ্ট্ৰিয়া, হাংগেৰী আৰু ইটালীক লৈ **'ত্ৰিশক্তি মিত্ৰতা চুক্তি'** (Triple Alliance) গঠন কৰে। এই 'ত্ৰিশক্তি মিত্ৰতা চুক্তি'ৰ গঠনৰ ফলত ইউৰোপৰ ৰাজনীতিত ফ্ৰান্স অকলশৰীয়া হৈ পৰে।

**(গ) ঘনিষ্ঠ মিত্ৰতা ঃ** ইউৰোপৰ সাম্ৰাজ্যবাদী ৰাষ্ট্ৰসমূহৰ মাজৰ ঔপনিৱেশিক আৰু বাণিজ্যিক সংঘাত আৰু আভ্যন্তৰীণ বিবাদে উনবিংশ শতিকাৰ শেষৰফালে ইউৰোপত এক প্ৰচণ্ড উত্তেজনাপূৰ্ণ পৰিৱেশৰ সৃষ্টি কৰে। এই অৱস্থাত ইউৰোপীয় দেশসমূহে নিজ নিজ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ মিত্ৰতা-গোষ্ঠী গঠন কৰাত গুৰুত্ব দিয়ে।

এই সময়ছোৱাত জাৰ্মানীয়ে প্ৰবল সম্প্ৰসাৰণবাদী শক্তিৰূপে অগ্ৰগতি লাভ কৰাত ইউৰোপত বহু আভ্যন্তৰীণ সংঘাতৰ সৃষ্টি হয়। জাৰ্মানিৰ এই প্ৰবল সাম্ৰাজ্যবাদী নীতিক প্ৰতিৰোধ কৰাৰ লক্ষ্যৰে ১৯০৪ চনত ফ্ৰান্স আৰু ইংলেণ্ডে **'ঘনিষ্ঠ মিত্ৰতা'**

Scanned by CamScanner

(Entente Cordiale) নামৰ প্ৰখ্যাত এক মৈত্ৰী বন্ধনত আৱদ্ধ হয়। ইতিমধ্যে জাৰ্মানিৰ দ্বাৰা ভীতিগ্ৰস্ত হৈ থকা ৰুচিয়াইও ১৯০৭ চনত ইংলেণ্ড আৰু ফ্ৰান্সৰ 'ঘনিষ্ঠ মিত্ৰতা'ত যোগ দিয়াত ই 'ত্ৰিশক্তি ঘনিষ্ঠ মিত্ৰতা'ত (Triple Entente) পৰিণত হয়। প্ৰকৃততে ই কোনো সামৰিক বা প্ৰতিৰক্ষাত্মক মিত্ৰতা নাছিল। কিন্তু পাছলৈ ই সামৰিক মিত্ৰতাত পৰিণত হয়।

**(ঘ) আমেৰিকা যুক্তৰাষ্ট্ৰৰ যুদ্ধত যোগদানৰ পটভূমি ঃ** প্ৰথম মহাসমৰৰ আৰম্ভণিৰ কালছোৱাত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি **উদ্ৰো ইউলচনে** (Woodrow Wilson) যুদ্ধত নিজৰ দেশৰ নিৰপেক্ষতা ঘোষণা কৰে। কিন্তু ১৯১৫ চনৰ ৭ মে'ৰ দিনা জাৰ্মান 'ইউ-বট'ৰ আক্ৰমণত **'লুচিটানিয়া'** (Lusitania) নামৰ বৃটিছ জাহাজ এখন ধ্বংসপ্ৰাপ্ত হয়। ইয়াৰ ফলত ১১৫৩ জন যাত্ৰীৰ মৃত্যু হয়। এই যাত্ৰীসকলৰ ভিতৰত ১২৮ জন মৃত যাত্ৰী আছিল আমেৰিকান। সেয়েহে এই ঘটনাৰ পিচত জাৰ্মানিৰ বিপক্ষে যুদ্ধ দিয়াৰ সমৰ্থনত আমেৰিকা যুক্তৰাষ্ট্ৰত প্ৰবল জনমত গঢ়ি উঠে। ফলস্বৰূপে আমেৰিকাই বৃটেইন, ফ্ৰান্স আদি মিত্ৰপক্ষৰ দেশসমূহলৈ প্ৰচুৰ খাদ্য, অস্ত্ৰ-শস্ত্ৰ আদি সৰবৰাহ কৰিবলৈ ধৰে। ইয়াৰোপৰি অৰ্থনৈতিক কাৰণতো আমেৰিকা যুক্তৰাষ্ট্ৰই লাহে লাহে যুদ্ধত যোগদানৰ প্ৰয়োজনীয়তা অনুভৱ কৰিবলৈ ধৰে। কাৰণ যুদ্ধ চলাই যাবলৈ মিত্ৰপক্ষৰ দেশসমূহে আমেৰিকাৰপৰা বিশাল পৰিমাণৰ অৰ্থ ধাৰে লৈছিল। গতিকে এই দেশসমূহে যুদ্ধত জয়লাভ কৰিলেহে ধাৰ পৰিশোধ কৰাৰ সম্ভাৱনা আছিল। তদুপৰি আমেৰিকাৰ আন এটা শংকাও প্ৰকট হৈছিল যে যদি জাৰ্মানিয়ে যুদ্ধত জয়লাভ কৰে তেন্তে সেই দেশ আমেৰিকা যুক্তৰাষ্ট্ৰৰ এক প্ৰবল প্ৰতিদ্বন্দ্বী শক্তিত পৰিণত হ'ব। ১৯১৭ চনৰ জানুৱাৰী মাহৰপৰা পুনৰ জাৰ্মান চাবমেৰিণে আমেৰিকা যুক্তৰাষ্ট্ৰক আদি কৰি নিৰপেক্ষ দেশৰ জাহাজৰ ওপৰত আক্ৰমণ আৰম্ভ কৰাত সেই বছৰৰ ৬ এপ্ৰিল তাৰিখে অৱশেষত আমেৰিকা যুক্তৰাষ্ট্ৰই জাৰ্মানিৰ বিপক্ষে যুদ্ধ ঘোষণা কৰে।

**(ঙ) শান্তিৰ অধ্যাদেশ ঃ** 'শান্তিৰ অধ্যাদেশ' হৈছে বিশ্বযুদ্ধৰ অৱসান ঘটোৱাৰ লক্ষ্যেৰে **লেনিনে** আগবঢ়োৱা এখন অধ্যাদেশ। ১৯১৭ চনত মহাযুদ্ধৰ এক উল্লেখযোগ্য ঘটনা হৈছে **ৰুচ-বিপ্লৱ**। এই সময়ছোৱাত ৰুচিয়াৰ জাৰতন্ত্ৰৰ অৱসান ঘটে আৰু লেনিনৰ নেতৃত্বত এক সাম্যবাদী চৰকাৰ প্ৰতিষ্ঠা হয়। লেনিন চৰকাৰে

Scanned by CamScanner

তেওঁৰ নতুনকৈ জন্ম হোৱা সাম্যবাদী ৰাষ্ট্ৰখনৰ নিৰাপত্তাৰ বাবে বিশ্বযুদ্ধখন শেষ হোৱাটো বিচাৰিছিল। ইতিমধ্যে যুদ্ধত ৰুচসকলে সীমাহীন দুৰ্গতিত ভুগিবলগীয়া হৈছিল আৰু ৬ লাখ ৰুচ সৈনিকে ৰণাংগনত প্ৰাণ আহুতি দিছিল। সেয়েহে লেনিনৰ নেতৃত্বত বলছেভিক দলৰ চৰকাৰ ক্ষমতালৈ অহাৰ পিছদিনাই তেওঁ বিশ্বযুদ্ধক অন্ত পেলোৱাৰ লক্ষ্যেৰে প্ৰখ্যাত **'শান্তিৰ অধ্যাদেশ' (Decree on Peace)** জাৰি কৰে। ইয়াৰ জৰিয়তে তেওঁ যুদ্ধৰত দেশসমূহক কোনেও কাৰো অঞ্চল অধিকাৰ নকৰাকৈ বা ক্ষতিপূৰণ নিদিয়াকৈ যুদ্ধখন অন্ত পেলাবকৈ আহ্বান জনালে।

**(ছ) ব্ৰেষ্ট-লিটভস্ক চুক্তি ঃ** ১৯১৮ চনৰ ৩ মাৰ্চত জাৰ্মানি আৰু ৰুচিয়াৰ মাজত **'ব্ৰেষ্ট-লিটভস্ক চুক্তি'** (Brest-Litovsk-Alliance) চুক্তি স্বাক্ষৰিত হয়। ৰুচিয়াত লেনিনৰ নেতৃত্বত বলছেভিক দলৰ চৰকাৰ ক্ষমতালৈ অহাৰ পিছদিনা বিশ্বযুদ্ধক অন্ত পেলোৱাৰ উদ্দেশ্যে লেনিনে প্ৰখ্যাত 'শান্তিৰ অধ্যাদেশ' জাৰি কৰে। ইয়াৰ জৰিয়তে তেওঁ যুদ্ধৰত দেশসমূহক কোনেও কাৰো অঞ্চল অধিকাৰ নকৰাকৈ বা ক্ষতিপূৰণ নিদিয়াকৈ বিশ্বযুদ্ধখন অন্ত পেলাবলৈ আহ্বান জনায়। কিন্তু এই আহ্বানৰ প্ৰতি যুদ্ধৰত দেশসমূহে সঁহাৰি নজনোৱাত লেনিনে একপক্ষীয়ভাৱে ৰুচিয়াক যুদ্ধৰপৰা অপসাৰিত কৰি জাৰ্মানিৰ লগত মিত্ৰতা স্থাপন কৰাৰ আলোচনা আৰম্ভ কৰে। শেষত ১৯১৮ চনৰ ৩ মাৰ্চত জাৰ্মানি আৰু ৰুচিয়াৰ মাজত 'ব্ৰেষ্ট-লিটভস্ক চুক্তি' (Brest Litovsk) স্বাক্ষৰিত হয়। যুদ্ধ চলাই নিয়াৰ ক্ষেত্ৰত ৰুচিয়াৰ অসমৰ্থতালৈ লক্ষ্য কৰি চুক্তি অনুযায়ী জাৰ্মানিয়ে কিছুমান কঠোৰ চৰ্ত ৰুচিয়াৰ ওপৰত জাপি দিয়ে। এই চৰ্তসমূহ হ'ল ৰুচিয়াই জাৰ্মানিক নিজৰ ৩৪% জনগণ, ৩২% খেতিৰ মাটি, ৫৪% শিল্প উদ্যোগ থকা অঞ্চল আৰু ১'২০ নিযুত মাৰ্ক (জাৰ্মানীৰ মুদ্ৰা) পৰিমাণৰ অৰ্থ ক্ষতিপূৰণ দিবলৈ সন্মতি প্ৰদান কৰিব লগা হয়।

**(জ) উইলচনৰ চৈধ্যতা নিৰন্ধ ঃ** ১৯১৮ চনৰ জানুৱাৰী মাহত আমেৰিকাৰ ৰাষ্ট্ৰপতি **উড্ৰো উইলচনে** বিশ্ব-শান্তিৰ উদ্দেশ্যে এক আঁচনি দাঙি ধৰে। ইয়াত চৈধ্যটা দফা বা নিৰন্ধ আছিল। এই দফা বা নিৰন্ধ কেইটাক **'উইলচনৰ চৈধ্যটা নিৰন্ধ'** (Wilson's Fourteen Points) বুলি কোৱা হয়। এই শান্তি আঁচনিত অন্তৰ্ভুক্ত বিষয়সমূহ হ'ল—ৰাষ্ট্ৰসমূহৰ মাজত মুকলিকৈ আলাপ আলোচনা আৰু চুক্তি সম্পাদিত হ'ব। সমুদ্ৰ পৰিবহনত সকলোৰে স্বাধীনতা থাকিব, সমৰ-সজ্জাৰ

Scanned by CamScanner

সীমিতকৰণ, বেলজিয়ামৰ স্বাধীনতা প্ৰদান, আলছাছ আৰু লৰেইন ফ্ৰান্সৰ হাতত অৰ্পণ, এক আন্তঃৰাষ্ট্ৰীয় সংস্থা গঠন কৰি ইয়াৰ জৰিয়তে সকলো ৰাষ্ট্ৰৰ স্বাধীনতাক সন্মান প্ৰদৰ্শন ইত্যাদি। যুদ্ধ শেষ হোৱাৰ পাছত অনুষ্ঠিত হোৱা শান্তি আলোচনাত এই উইলচনৰ চৈধ্যতা নিৰন্ধৰ ভালেকেইটা গৃহীত হয়।

**(ঝ) অভিকৰ্তা ব্যৱস্থা ঃ** অভিকৰ্তাৰ অৰ্থ হৈছে শাসনকৰ্তা। প্ৰথম মহাযুদ্ধৰ পাছত তুৰ্কীৰ লগত স্বাক্ষৰিত মিত্ৰ-পক্ষৰ শান্তি চুক্তিমতে পূৰ্বৰ অট'মান সাম্ৰাজ্যক সম্পূৰ্ণ খণ্ড-বিখণ্ডকৰণৰ চৰ্ত আৰোপ কৰা হয়। পেলেষ্টাইন আৰু মেচ'পটেমিয়াত (ইৰাক) ইংলেণ্ডক আৰু চিৰিয়াত ফ্ৰান্সক **অভিকৰ্তা** (Mandat power) ৰূপে শাসন চলাবলৈ দিয়া হয়। প্ৰকৃততে কোনো দেশ বা অঞ্চলৰ 'অভিকৰ্তা'ৰূপে শাসন কৰা দেশখনে সেই অঞ্চলটো নিজ সাম্ৰাজ্যৰ লগত চামিল কৰিব নোৱাৰিছিল আৰু সেই অঞ্চলৰ জনগণৰ হকে কাম কৰিব লাগিছিল। কিন্তু কাৰ্যক্ষেত্ৰত 'অভিকৰ্তা' দেশসমূহে এই অঞ্চলসমূহক নিজস্ব উপনিৱেশৰ দৰেহে শাসন কৰা দেখা যায়।

**(ঞ) প্ৰথম মহাসমৰত জীৱন আৰু আৰ্থিক ক্ষয়-ক্ষতি ঃ** প্ৰথম মহাসমৰত অৱৰ্ণনীয় ধ্বংসলীলা সংঘটিত হৈছিল। ১৭৯০ খ্ৰীঃৰপৰা ১৯১৩ খ্ৰীঃলৈকে বিশ্বত সংঘটিত হোৱা বিভিন্ন ৰক্তাক্ত যুদ্ধত যিমান মানুহৰ মৃত্যু হৈছিল প্ৰথম মহাসমৰৰ **১৫৬৫ দিনত** ইয়াৰ দুগুণ সৈনিকৰ মৃত্যু হৈছিল। এই বিশ্বযুদ্ধত প্ৰায় **৬৫ নিযুততকৈ** কিছু অধিক সৈনিকে পৰস্পৰৰ বিপক্ষে যুদ্ধ কৰিছিল। ইয়াৰে **১৩ নিযুতৰ** মৃত্যু, **২২ নিযুত আঘাতপ্ৰাপ্ত** আৰু **৭ নিযুত** চিৰদিনৰ বাবে পংগু বা ঘূৰ্ণীয়া হৈছিল। ইংলেণ্ড, ফ্ৰান্স, ইটালী আৰু পূব ইউৰোপৰ দেশসমূহৰ প্ৰতিটো পৰিয়ালৰ অন্তত একোজনকৈ লোক যুদ্ধত নিহত বা আহত হৈছিল। অকল জাৰ্মানিৰে তিনি নিযুত সৈন্য নিধন হৈছিল। বৃটিছ সাম্ৰাজ্যৰ অন্তৰ্গত ভাৰতবৰ্ষৰ মুঠ **১৩ লাখ ২ হাজাৰ** সৈনিকে এই যুদ্ধত অংশগ্ৰহণ কৰিছিল আৰু ইয়াৰে **৭০,০০০ আহত** আৰু **৩৭,০০০ নিহত** হৈছিল। যুঁজাৰু বিমানৰ বোমাবৰ্ষণ, যুদ্ধৰ পৰিপ্ৰেক্ষিতত সৃষ্টি হোৱা মহামাৰী আৰু দুৰ্ভিক্ষত লাখ লাখ অসামৰিক লোকে প্ৰাণ হেৰুৱাইছিল।

যুদ্ধৰ কালছোৱাত বিভিন্ন ৰাষ্ট্ৰৰ আৰ্থিক ক্ষয়ক্ষতিৰ প্ৰকৃত পৰিমাণ নিৰূপণ কৰিব পৰা প্ৰায় অসম্ভৱ। এই বিশ্বযুদ্ধত প্ৰায় **২,৭০,০০০ নিযুত ডলাৰ** পৰিমাণৰ ধন খৰচ হৈছিল বুলি অনুমান কৰা হৈছে। ১৯১৭-'১৮ চনত ইংলেণ্ডে যুদ্ধ চলাই যাবলৈ

Scanned by CamScanner

দৈনিক **৬·৫ নিযুত পাউণ্ড** গড়ে খৰচ কৰিব লগা হৈছিল। আমেৰিকা যুক্তৰাষ্ট্ৰই যুদ্ধখনত খৰচ কৰিছিল **১৭·১ বিলিয়ন ডলাৰ** আৰু জাৰ্মানিয়ে বহন কৰিব লগা হৈছিল **১৯·৯ বিলিয়ন ডলাৰ** পৰিমাণৰ অৰ্থ।

**(ট) নাৰীৰ সামাজিক মৰ্যাদাৰ ওপৰত প্ৰথম বিশ্বযুদ্ধৰ প্ৰভাৱ ঃ** নাৰীৰ সামাজিক মৰ্যাদা বিশ্বযুদ্ধৰ পৰিপ্ৰেক্ষিতত বৃদ্ধি হোৱা লক্ষ্য কৰিব পাৰি। বিশ্বযুদ্ধৰ প্ৰাক্-কালত নাৰীয়ে কেৱল গৃহস্থালি চলোৱা কামতে নিজকে সাধাৰণতে নিয়োজিত কৰিছিল। কিন্তু যুদ্ধৰ সময়ত বিশাল সংখ্যক পুৰুষ ৰণাংগনলৈ যাব লগা হোৱাত নাৰীসকলে সেই শূন্যতা পূৰণ কৰিবলৈ কল-কাৰখানা, বিদ্যালয়, কাৰ্যালয়, প্ৰশাসনীয় বিভাগ আদিত কাম কৰাৰ সুযোগ পালে। ফলস্বৰূপে নাৰীৰ মাজত আত্ম-সন্মান, আত্ম-বিশ্বাস আদি জাগি উঠিল। তেওঁলোকৰ মাজত এক স্বাধীন সত্তাৰ জন্ম হ'ল। তেওঁলোকে পুৰুষ-প্ৰধান সমাজৰ দ্বাৰা সৃষ্ট বহু পৰম্পৰাক নাৰী স্বাৰ্থ-বিৰোধী বুলি গণ্য কৰিবলৈ ল'লে। এই নাৰী জাগৰণৰ লগে লগে সামাজিক জীৱনত এক নতুন যুগৰ সূচনা হ'ল। তদুপৰি প্ৰথম মহাসমৰৰ অন্তত প্ৰতিষ্ঠিত প্ৰজাতান্ত্ৰিক দেশসমূহত নাৰীৰ ভোটাধিকাৰ স্বীকৃত হোৱাত তেওঁলোকৰ ৰাজনৈতিক গুৰুত্ব আৰু মৰ্যাদাও বৃদ্ধি হ'বলৈ ধৰে।

Scanned by CamScanner